স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-14 ☐ NO-317 ☐ FRIDAY 24 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGA

# আজিৰে পৰা কানৈ কলেজত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

বিশেষ বাৰ্তা, ডিব্ৰুগড, ২৩ জানুৱাৰী ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। অসমৰ জনপ্ৰিয় কলা-সংস্কৃতি অনুষ্ঠান অসম জনকৃষ্টি সমাজ, কানৈ মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত 'অ'ৰেলিটি আৰু ভাৰতীয় দৰ্শন' শীৰ্ষক বিষয়ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখন উদ্বোধন কৰিব তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী, বিদেশী ভাষা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ, লেখক ড° মদন মোহন শৰ্মাই। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আলোচনা-চক্ৰ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰিবলগীয়া আলোচনা-চক্ৰখনত পশ্চিমবংগস্থিত কল্যাণী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগৰ অধ্যাপক সুজয় কুমাৰ মণ্ডলে মূল ভাষণ প্ৰদান কৰিব। আলোচনা চক্ৰখনত অসম জনকৃষ্টি সমাজৰ 'জনকৃষ্টি' শীৰ্ষক গৱেষণা পত্ৰিকাখন উন্মোচন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড° কন্দৰ্প কুমাৰ ডেকাই। আলোচনা চক্ৰখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক, ভাষাবিদ, প্ৰফেচৰ এমেৰিটাছ ড° ভীমকান্ত বৰুৱা। তদুপৰি আলোচনা-চক্ৰখনত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক আৰু ডীন তথা অসম জনকৃষ্টি সমাজৰ সভাপতি ড° মৃণাল কুমাৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি গৱেষণা বিভাগৰ মুৰব্বী ড° অনিল কুমাৰ বড়ো, এবিলাকৰ প্ৰাক্তন সঞ্চালক ড° দীলিপ কুমাৰ কলিতা, ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুৰব্বী ড° শৰৎ চন্দ্ৰ ৰাভা, এবিলাকৰ সহযোগী অধ্যাপক ড° কৰুণা কান্ত কাকতি, উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডেনিছ ৰাভা, গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ অধ্যাপক হীৰকজ্যোতি শৰ্মা, কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ গোস্বামীকে ধৰি শতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থকাৰ লগতে দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ শতাধিক অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী আৰু অসমীয়া ভাষাত আলোচনা পত্ৰ পাঠ কৰিব। উদ্‌যাপন সমিতিয়ে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে সমূহ সদাশয় ব্যক্তিৰ সহায়-সহযোগিতা কামনা কৰিছে।